# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 04-11-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডত বিজেপি নেতৃত্বাধীন এন ডি এৰ প্ৰাৰ্থীৰ হৈ ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনী প্ৰচাৰৰ বাবে দুখন ৰেলীত ভাগ ল'ব।

২। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে নতুন প্ৰযুক্তিৰ ব্যৱহাৰ জৰিয়তে পৰৱৰ্তী কেইটামান বছৰত দেশৰ ৰে'ল ভ্ৰমণ খণ্ডত বৃহৎ পৰিৱৰ্তন পৰিলক্ষিত হ'ব বুলি আশা প্ৰকাশ কৰিছে।

৩। জম্মু-কাশ্মীৰ বিধানসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন কৰাৰ বাবে আজি বিশেষ বৈঠক অনুষ্ঠিত হ'ব।

৪। চেন্নাইৰ মেয়ৰ ৰাধাকৃষ্ণন হকী ষ্টেডিয়ামত আজি চতুৰ্দশ পুৰুষৰ হকী ইণ্ডিয়া ছিনিয়ৰ চেম্পিয়নশ্বিপ আৰম্ভ হ'ব। **আৰু**

৫। ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক'ল'ৰাডত অনুষ্ঠিত ১৯ বছৰ অনূৰ্ধৰ বিশ্ব বক্সিং প্ৰতিযোগিতাত ৪টা সোণৰ পদকসহ মুঠ ১৭টা পদক লাভ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ঝাৰখণ্ডত বিজেপি নেতৃত্বাধীন এন ডি এৰ প্ৰাৰ্থীৰ হৈ ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনী প্ৰচাৰৰ বাবে দুখন ৰেলীত ভাগ ল'ব। ঝাৰখণ্ডৰ বিজেপিৰ সভাপতি তথা প্ৰাক্তন মুখ্যমন্ত্ৰী বাবুলাল মাৰাণ্ডিয়ে কৈছে যে প্ৰধানমন্ত্ৰীয়ে দিনৰ প্ৰায় চাৰে ১১ বজাত গড়ৱাহত প্ৰথমখন ৰাজহুৱা সভা আৰু দুপৰীয়া প্ৰায় ৩ বজাত চাইবাছাত দ্বিতীয়খন সভাক সম্বোধন কৰিব। উল্লেখযোগ্য যে ঝাৰখণ্ডত নিৰ্বাচনী সময়সূচী ঘোষণা কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এইখন হ'ব প্ৰথমখন নিৰ্বাচনী ৰেলী। ৰাজ্যখনত অহা ১৩ আৰু ২০ নৱেম্বৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০

ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে নতুন প্ৰযুক্তিৰ ব্যৱহাৰ, অহা বছৰ সম্পূৰ্ণ হৈ উঠিবলগীয়া বৈদ্যুতিকৰণ তথা আধুনিক ৰে'ল ব্যৱস্থাৰ জৰিয়তে পৰৱৰ্তী ৫ৰ পৰা ৭ বছৰৰ ভিতৰত দেশত ৰে'ল ভ্ৰমণ খণ্ডত বৃহৎ পৰিৱৰ্তন পৰিলক্ষিত হ'ব বুলি আশা প্ৰকাশ কৰিছে। কোজিক'ডেত কালি সন্ধিয়া মন্ত্ৰীগৰাকীয়ে এটা বিশেষ অনুষ্ঠান মুকলি কৰে। তেওঁ কয় যে, অমৃত ভাৰত ষ্টেচন পুনৰ উন্নয়নৰ আঁচনিৰ অধীনত এক লাখ কোটি টকা ব্যয় সাপেক্ষে এহেজাৰ ৩৩৪টা ষ্টেচনৰ পুনৰ বিকাশৰ কাম অব্যাহত আছে। তেওঁ কয় কয় যে, চৰকাৰে অপাৰ সৃষ্টিশীল সম্ভাৱনা মুকলি কৰাৰ উদ্দেশ্যে বিভিন্ন প্ৰান্তত এলানি ভাৰতীয় উদ্ভাৱনীমূলক প্ৰযুক্তি প্ৰতিষ্ঠান স্থাপন কৰাৰ পৰিকল্পনা কৰিছে। কোজিক'ডে ৰে'ল ষ্টেচনৰ সৈতে সংলগ্ন এটা তথ্যপ্ৰযুক্তি কেন্দ্ৰও স্থাপন কৰা হ'ব বুলি তেওঁ সদৰী কৰে। এই উদ্দেশ্যে ৰে'ল বিভাগৰ অধীনৰ ৫ একৰ ভূমি চিহ্নিত কৰা হৈছে।

০০০০০

জম্মু-কাশ্মীৰ বিধানসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন কৰাৰ বাবে আজি বিশেষ বৈঠক অনুষ্ঠিত হ'ব। ইতিমধ্যে পদটোৰ বাবে নেচনেল কনফাৰেন্স দলৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী আব্দুল ৰহিম ৰাথেড়ৰ নাম প্ৰস্তাৱ কৰা হৈছে। বিধানসভা সচিবালয়ে প্ৰকাশ কৰা অনুসৰি এই বৈঠক দিনৰ চাৰে ১০ বজাত আৰম্ভ হ'ব। অধ্যক্ষ নিৰ্বাচনৰ বিষয়টো কাৰ্যসূচীৰ আৰম্ভণিতে ৰখা হৈছে বুলিও সচিবালয়ে সদৰী কৰে। জম্মু-কাশ্মীৰৰ ৯০ জনীয়া বিধানসভাত নেচনেল কনফাৰেন্স দলৰ ৪১ গৰাকীৰ লগতে কংগ্ৰেছ মিত্ৰজোঁটৰ ৬ গৰাকী আৰু চি পি আই এমৰ এগৰাকী বিধায়ক থকাৰ পৰিপ্ৰেক্ষিতত নতুন অধ্যক্ষ নিৰ্বাচনৰ বিষয়টো সহজ হ'ব বুলি অনুমান কৰা হৈছে। নেচনেল কনফাৰেন্স দলে ২৯ খন আসনেৰে বিধানসভাত দ্বিতীয় সংখ্যাগৰিষ্ঠতা লাভ কৰা বিজেপি দললৈ উপাধ্যক্ষৰ আসন আগবঢ়াইছে। অৱশ্যে বিজেপিৰ এগৰাকী বিধায়কৰ মৃত্যু ঘটিছে। বিজেপিয়ে উপাধ্যক্ষ আসনৰ বাবে নৰেন্দৰ সিঙক নিৰ্বাচন কৰিছে। অধ্যক্ষ নিৰ্বাচনৰ পাছত উপ-ৰাজ্যপাল মনোজ সিনহাই দিনৰ চাৰে ১১ বজাত বিধানসভা কক্ষত ভাষণ প্ৰদান কৰিব।

০০০০০

মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন। যোৱা ৩০ অক্টোবৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হয়। ৰাজ্যখনৰ ২৮৮টা বিধানসভা নিৰ্বাচনৰ বাবে ৭ হাজাৰ ৯৯৪ প্ৰাৰ্থীয়ে দাখিল কৰা মনোনয়ন পত্ৰ বৈধ ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে ৰাজ্যখনত অহা ২০ নৱেম্বৰত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰধান দলসমূহৰ ভিতৰত বিজেপি, শিৱসেনা, এন চি পি মিত্ৰজোঁটৰ শাসনাধিষ্ঠ মহাযুতি আৰু কংগ্ৰেছ, শিৱসেনা ইউ বি টি আৰু শৰদচন্দ্ৰ পাৱাৰ গোটৰ এন চি পি মহা বিকাশ অঘড়ী মিত্ৰজোঁট অন্যতম। এই নিৰ্বাচনত সৰু সৰু ৰাজনৈতিক দল আৰু কেইবাগৰাকীও নিৰ্দলীয় প্ৰাৰ্থীও প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

০০০০০

মধ্য প্ৰদেশ চৰকাৰে বন্যপ্ৰাণীৰ আক্ৰমণত নিহত লোকৰ নিকটাত্মীয়লৈ আগবঢ়োৱা ক্ষতিপূৰণৰ পৰিমাণ ৮ লাখ টকাৰ পৰা ২৫ লাখ টকালৈ বৃদ্ধি কৰিছে। ৰাজ্যখনৰ উমাৰিআ জিলাৰ বান্ধৱগড় ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ সমীপত বনৰীয়া হাতীৰ আক্ৰমণত দুগৰাকী লোক নিহত হোৱাৰ এদিন পাছত এই সিদ্ধান্তৰ বিষয়ে ঘোষণা কৰা হয়। মুখ্যমন্ত্ৰী মোহন য়াদৱে সদৰী কৰা অনুসৰি উমাৰিআত বনৰীয়া হাতীৰ আক্ৰমণত নিহত লোক দুগৰাকীৰ পৰিয়ালে বৰ্ধিত ক্ষতিপূৰণ ২৫ লাখ টকাকৈ লাভ কৰিব। উল্লেখযোগ্য যে এদিন পূৰ্বে ধৰা এটা হাতীৰ আক্ৰমণত ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলটোৰ পৰা ১০ কিলোমিটাৰ নিলগৰ দেৰৱা গাঁৱত এজন লোকৰ মৃত্যু হয়। হাতীটোৱে বান্ধৱগড় ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ পৰিৱেশত সুৰক্ষাৰ বাবে থকা বিশেষ এলেকাৰ ভিতৰৰ ব্ৰাহে গাঁৱতো আন এগৰাকী ব্যক্তিকো আক্ৰমণ কৰে। পাছত ব্যক্তিগৰাকীৰ মৃত্যু হয়। এই ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলটোত শেহতীয়াকৈ ১০টাকৈ হাতীৰ মৃত্যু হোৱা বিষয়টো সম্প্ৰতি চৰ্চাত আছে।

০০০০০

চৰকাৰে কৈছে যে, পাইকাৰী বজাৰলৈ ৯০ লাখ টনৰো অধিক ধান আহিছে। ইয়াৰ ভিতৰত পাঞ্জাবত ৮৫ লাখ টনৰো অধিক ধান ৰাজ্যিক সংস্থাসমূহে আৰু ভাৰতীয় খাদ্য নিগমে ক্ৰয় কৰিছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে, চৰকাৰে এ গ্ৰেড ধানৰ বাবে ধাৰ্য্য কৰা

প্ৰতিকুইণ্টলত ২ হেজাৰ ৩২০ টকা মূল্যত এই ধান ক্ৰয় কৰা হৈছে। চৰকাৰে বৰ্তমানলৈকে এইবাৰৰ খাৰিফ বিপনন বৰ্ষত ১৯ হাজাৰ ৮০০ কোটি টকাৰ ধান ক্ৰয় কৰিছে আৰু ইয়াৰ পৰা ৪ লাখ খেতিয়ক উপকৃত হৈছে।

পাঞ্জাবত ২০২৪-২৫ খাৰিফ বিপনন বৰ্ষৰ বাবে পহিলা অক্টোবৰত ধান ক্ৰয়ৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু খেতিয়কৰ পৰা নিয়াৰিকৈ দান ক্ৰয়ৰ উদ্দেশ্যে ৰাজ্যখনত ২ হেজাৰ ৯০০ মনোনীত পাইকাৰী বজাৰ আৰু অস্থায়ী বিপননথলী মুকলি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ৩০ নৱেম্বৰলৈ অব্যাহত থাকিবলগীয়া চলিত বিপনন সত্ৰ ১৮৫ লাখ টন ধান ক্ৰয়ৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **চাইবাৰ অপৰাধৰ বিৰুদ্ধে যুঁজ,** এই সন্দৰ্ভত ভাৰতীয় চাইবাৰ অপৰাধ সহযোগিতা কেন্দ্ৰৰ সঞ্চালক ৰূপা এম আৰু দিল্লী আৰক্ষীৰ বিশেষ শাখাৰ যুটীয়া আয়ুক্ত ৰাজনীশ গুপ্তাৰ সৈতে হোৱা এটা বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিদ্বয়ক চাইবাৰ অপৰাধ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেষ্টটেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুবিধ পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

ooooo

চেন্নাইৰ মেয়ৰ ৰাধাকৃষ্ণন হকী ষ্টেডিয়ামত আজি চতুৰ্দশ পুৰুষৰ হকী ইণ্ডিয়া ছিনিয়ৰ চেম্পিয়নশ্বিপ আৰম্ভ হ'ব। ১৬ নৱেম্বৰলৈ চলিবলগীয়া এই প্ৰতিযোগিতাত ৩১টা দলে ভাগ ল'ব। এই দলসমূহক ৮টা পুলত ভাগ কৰা হ'ব। লীগ পৰ্যায়ত দলসমূহে নিজৰ পুলৰ প্ৰতিযোগীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিটো পুলত শীৰ্ষস্থান লাভ কৰা দলকেইটাই ১৩ নৱেম্বৰত হ'বলগীয়া কোৱাৰ্টাৰ ফাইনেল খেলত অৱতীৰ্ণ হোৱাৰ যোগ্যতা লাভ কৰিব। ১৫ নৱেম্বৰত ছেমি ফাইনেলৰ খেল অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ আৰম্ভণিৰ এখন খেল উত্তৰ প্ৰদেশ হকী আৰু কেৰালা হকী দলৰ মাজত অনুষ্ঠিত হোৱাৰ বিপৰীতে আনখন খেল হকী কৰ্ণাটকা আৰু হকী উত্তৰাখণ্ডৰ মাজত অনুষ্ঠিত হ'ব। হকী ইণ্ডিয়াৰ সভাপতি দিলীপ তিৰ্কীয়ে কৈছে যে এই প্ৰতিযোগিতাই দেশৰ খেলুৱৈসকলক নিজৰ প্ৰতিভা দেখুওৱাৰ এটা সুন্দৰ সুযোগ প্ৰদান কৰিব।

ooooo

ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক'ল'ৰাডত অনুষ্ঠিত ১৯ বছৰ অনূৰ্ধৰ বিশ্ব বক্সিং প্ৰতিযোগিতাত ৪টা সোণৰ পদকসহ মুঠ ১৭টা পদক লাভ কৰিছে। পুৰুষ আৰু মহিলা উভয় শাখাত অনুষ্ঠিত এই প্ৰতিযোগিতাত ভাৰতৰ মুঠ ১৯ গৰাকী বক্সাৰে ভাগ লৈছে। ভাৰতৰ হৈ হেমন্ত ছংৱানে পুৰুষৰ শাখাত সোণৰ পদক লাভ কৰাৰ লগতে কৃষ্ণা বাৰ্মা, পাৰ্থৱী গ্ৰেৱাল আৰু ৱানিষ্কা গোস্বামীয়ে সোণৰ পদক অৰ্জন কৰে। পদক অৰ্জন কৰা খেলুৱৈসকলৰ ১১ গৰাকী খেলুৱৈয়ে ইতিমধ্যে খেলো ইণ্ডিয়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে প্ৰতিযোগিতাত ভাগ লোৱা আটাইকেইগৰাকী মহিলা বক্সাৰে পদক অৰ্জন কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে।

০০০০০

জৈৱ বিচিত্ৰতা সুৰক্ষাৰ ক্ষেত্ৰত আফ্ৰিকীয় মূলৰ সম্প্ৰদায়সমূহৰ অত্যাৱশ্যকীয় ভূমিকাৰ উল্লেখযোগ্য স্বীকৃতিৰ সৈতে কলম্বিয়াৰ কলিত জৈৱ বিচিত্ৰতা সন্দৰ্ভত আয়োজিত সন্মিলন চি অ' পি 16 ৰ গোটসমূহৰ অধিবেশনৰ যোড়শ বৈঠকৰ অন্ত পৰে।  চি অ' পি 16-ৰ অধ্যক্ষ সুশানা মহম্মদ আৰু কলম্বিয়াৰ বিদেশ মন্ত্ৰী লুইছ গিলৰাৰ্টো মুৰিলোৱে এই সিদ্ধান্তৰ প্ৰশংসা কৰে। প্ৰকৃতিৰ সৈতে শান্তি বিষয়বস্তুৰ সৈতে  চি অ' পি 16 ৰ জৰিয়তে ডিজিটেল জিনিয় অনুক্ৰমৰ পৰা প্ৰাপ্ত সম্পদসমূহৰ বাবে গোলকীয় পুঁজিৰ সৃষ্টি আৰু আন্তৰাষ্ট্ৰীয় জলক্ষেত্ৰৰ পৰিবেশগত দৃষ্টিকোণৰ পৰা গুৰুত্বপূৰ্ণ সাসমুদ্ৰিক অঞ্চলসমূহ চিনাক্ত তথা এই সমূহৰ সুৰক্ষাৰ বাবে গোলকীয় চুক্তিকে ধৰি কেইবাটাও উল্লেখযোগ্য সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ২০২৬ চনত আৰ্মেনিয়াই  চি অ' পি 16 আয়োজন কৰালৈকে কলম্বিয়াই এই সন্মিলনৰ অধ্যক্ষতাৰ দায়িত্ব গ্ৰহণ কৰি থাকিব।

০০০০০০

সমাপ্ত